গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক ষষ্ঠ ষাণ্মাসিকৰ ASM-HE ৬০৫৬ কাকতৰ বাবে প্ৰস্তুত কৰা বাধ্যতামূলক প্ৰকল্প

# বিষয়:- শংকৰ সংঘৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ (নলবাৰী জিলাৰ অন্তৰ্গত পাটকাটা গাঁৱৰ বিশেষ উল্লিখন সহ)।


**তত্ত্বাৱধায়িকা**

পৰ্ণা মেধি

পৰ্ণা মেধি
06-08-28

সহকাৰী অধ্যাপিকা

অসমীয়া বিভাগ

মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়

Presented
08/06/2024

**গৱেষিকা ছাত্ৰী**

ভাৱনা বৈশ্য

ভাবনা বৈশ্য

শ্ৰেণী:- ষষ্ঠ ষাণ্মাসিক

শ্ৰেণী ৰোল নং:- BA210150

ৰোল নং:- UA-211-193-0042

পঞ্জীয়ন নং:- 21086395

অসমীয়া বিভাগ

**মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়, নলবাৰী**

# পাতনি

নলবাৰী জিলাৰ অন্তৰ্গত পাটকাটা গাঁওখনৰ বিষয়ক লৈ গৱেষণা কাৰ্যত অৱতীৰ্ণ হ'বলগীয়া কথাটো সংগুৰ পৰ্বত আৰোহণৰ প্ৰচেষ্টা বুলি বুলিব পাৰি। এক বহুল বিষয়ৰ গৱেষণা তেওঁলৈ এয়া আমাৰ ক্ষুদ্ৰ প্ৰচেষ্টা। পাটকাটা গাঁৱৰ সংস্কৃতি, লোকাচাৰ গাঁৱখনত প্ৰচলিত সংস্কাৰ সংঘৰ পৰিচয় আদি বিষয়বোৰলৈ বিশেষ আগ্ৰহেৰে গৱেষণা কাৰ্য আৰম্ভ কৰিছোঁ। সংস্কৃতি, লোকাচাৰৰ বিজ্ঞান সন্মত দিশ, জন্ম লগতে সংস্কাৰ সংঘৰ জন্ম হওঁতে সেই বিষয়ে গৱেষণাৰ মাধ্যমেৰে বিচাৰিবলৈ চেষ্টা কৰিছোঁ। কোনো এটা জাতিৰ জীৱন ধাৰণ প্ৰণালী, লোকাচাৰৰ ধৰ্ম আদি বিষয়বোৰ কিছু পৰিমাণে আধ্যাত্মিকতাৰ, সেয়ে জাতিটোৰ কোনো বিষয়ত আঘাত নোহোৱাকৈ

গৱেষকৰ দৃষ্টিত নিৰপেক্ষভাৱে অধ্যয়ন কৰিবলৈ আৰম্ভণিতে পৰা যত্ন কৰা হৈছে।


প্ৰকল্পটোক পাচটা অধ্যায়ত ভাগ কৰা হৈছে। প্ৰথম অধ্যায়ত নলবাৰী জিলাৰ অন্তৰ্গত পাটকাটা গাঁৱৰ পৰিচয়, দ্বিতীয় অধ্যায়ত পাটকাটা গাঁৱৰ শংকৰ সংঘৰ পৰিচয়, তৃতীয় অধ্যায়ত সংস্কৃতিৰ স্বৰূপ, চতুৰ্থ অধ্যায়ত লোকাচাৰ, পঞ্চম অধ্যায়ত পাটকাটা গাঁৱৰ শংকৰী বিবাহ সম্পৰ্কীয় লোকাচাৰ আদি সন্নিবিষ্ট কৰা হৈছে। ধৰ্মীয় স্থিতি, বিশ্বাস - অবিশ্বাসৰ মাজেৰে লোকাচাৰে আধুনিক পৃথিৱীত কিদৰে স্থান দখল কৰি আছে আৰু বিশ্বায়নৰ প্ৰভাৱে কেনেদৰে পৰিবৰ্তন ধৰিছে সেয়া বিচাৰ্য বিষয়। সীমাবদ্ধভাৱে প্ৰকল্প লিখিবলগীয়া

যোৱাত বহু দিশ অজানিতে ভাৱে হৈ যাব পাৰে, গৱেষক, প্ৰকল্পটি শুধৰাই দিলে কৃতাৰ্থ হ'ম।

# কৃতজ্ঞতা স্বীকাৰ

মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ ষষ্ঠ ষাণ্মাসিকৰ এই প্ৰকল্পটি সম্পূৰ্ণ কৰাৰ ক্ষেত্ৰত মোক সকলো প্ৰকাৰে সহায় তথা দিহা-পৰামৰ্শ আগবঢ়োৱা অসমীয়া বিভাগৰে অধ্যাপিকা আৰু আমাৰ শ্ৰদ্ধাৰ তত্বাৱধায়িকা শ্ৰী দলী মেধি বাইদেউৰ ওচৰত মই চিৰ কৃতজ্ঞ। অসমীয়া বিভাগৰে আন অধ্যাপক বিশ্বৰাম ইংলেং ছাৰ, অধ্যাপিকা হিৰামণি তালুকদাৰ বাইদেউ, অধ্যাপিকা ড° নিহাৰিকা শৰণ বাইদেউ আৰু বিভাগৰ প্ৰধান অধ্যাপিকা ড° অণিমা ভূঞা বাইদেউ সকলোৱে এই প্ৰকল্পটিত সহায়-সহযোগিতা কৰা বাবে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ। এই প্ৰকল্পটি লিখাৰ ক্ষেত্ৰত মহাবিদ্যালয়ৰ পুথিভঁৰালটোৰ পৰা বিভিন্ন পুথি

সংগ্ৰহ কৰি তাৰ পৰা অনুপ্ৰেৰণা পাইছো। সেইবাবে মহেন্দ্ৰ নাৰায়ণ চৌধুৰী বালিকা মহাবিদ্যালয় পুথিভঁৰালটোক মই কৃতজ্ঞতাৰে সোঁৱৰিছোঁ। প্ৰকল্পটিৰ লগত জড়িত পাকৈৰ্টা গাঁৱৰ দুজন তথ্য দাতা আৰু একগৰাকী তথ্য দাত্ৰী ক্ৰমে শ্ৰী প্ৰদীপ কুমাৰ বৈশ্য, শ্ৰী সুনীল বৈশ্য আৰু শ্ৰী অলকা বৈশ্যৰ ওচৰত মই চিৰ কৃতজ্ঞ। মানচিত্ৰ মনৰ ক্ষেত্ৰত সহায় কৰা সকলো বেগমৰ ওচৰতো মই চিৰ কৃতজ্ঞ। এই প্ৰকল্পটি লিখোঁতে মোক গৰাকী মান বান্ধৱী ক্ৰমে, নাৰাগিছ দুলতানা, নৱনীতা বৰ্মন, নাজমিন আমেদাৰে সহায় - সহযোগিতা কৰাৰ বাবে তিনিওকে মই কৃতজ্ঞতা স্বীকাৰ কৰিছোঁ। এওঁলোক সকলোৰে মিলিত সহায় নাথাকিলে এই প্ৰকল্পটি সম্পূৰ্ণ হৈ নুঠিলহেঁতেন। এই প্ৰকল্পটিৰ ভুল - ত্ৰুটিবোৰ বিচাৰি নতুন কাগজত সজাই দিলে পৰা সেই বাইদেউৰে, সেইবাবে বাইদেউলৈ আন্তৰিক ধন্যবাদ থাকিল।




পাটকাটা গাঁৱৰ মানচিত্ৰ

## সূচী পত্ৰ

১.০ অৱতৰণিকা
১.১ অধ্যয়নৰ বিষয় বস্তু আৰু ক্ষেত্ৰ
১.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য
১.৩ অধ্যয়নৰ প্ৰয়োজনীয়তা
১.৪ পূৰ্বকৃত অধ্যয়ন
১.৫ অধ্যয়নৰ প্ৰণালী
১.৭ প্ৰসংগ

প্ৰথম অধ্যায় ২.০ গাঁৱৰ পৰিচয় ৯
২.১ গাঁৱৰ তাৎপৰ্য
২.২ নলবাৰী জিলাৰ পৰিচয়
২.৩ পাটকাটা গাঁৱৰ ভৌগোলিক সীমা আৰু মাটিকালি
২.৪ পাটকাটা গাঁৱৰ জনসংখ্যা
২.৫ পাটকাটা গাঁৱৰ জীৱিকা
২.৬ পাটকাটা গাঁৱৰ ধৰ্ম
২.৭ পাটকাটা গাঁৱৰ প্ৰসিদ্ধ স্থান
২.৮ পাটকাটা গাঁৱৰ ভাষা
২.৯ পাটকাটা গাঁৱৰ সাহিত্য

দ্বিতীয় অধ্যায় ৩.০ পাটকাটা গাঁৱত শংকৰ সংঘৰ পৰিচয় ১৭

তৃতীয় অধ্যায় ৪.০ সংস্কৃতিৰ স্বৰূপ ২১
৪.১ সংস্কৃতিৰ সংজ্ঞা আৰু শ্ৰেণীবিভাজন

৪.২ অভিজাত সংস্কৃতি

৪.৩ লোক সংস্কৃতি

৪.৪ জনজাতীয় সংস্কৃতি

চতুৰ্থ অধ্যায় ৫.০ লোকাচাৰ ২৭

৫.১ লোকাচাৰৰ অৰ্থ, সংজ্ঞা আৰু প্ৰকাৰ

৫.২ লোকাচাৰৰ সৈতে আৰ্থসামাজিক, সামাজিক আৰু বৈজ্ঞানিক সম্পৰ্ক

৫.৩ লোকাচাৰৰ বিভাগ

৫.৪ অসমৰ আৰু নলবাৰীৰ লোকাচাৰ

৫.৫ পাটকোঁঠা গাঁৱৰ লোকাচাৰ

৫.৬ জন্ম মৃত্যু বিবাহৰ গুৰুত্ব

পঞ্চম অধ্যায় ৬.০ পাটকোঁঠা গাঁৱত প্ৰচলিত সংস্কাৰ সংঘৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ ৩৯

৬.১ কইনা চাবলৈ যোৱা লোকাচাৰ

৬.২ বিবাহৰ দিন ঠিক কৰাৰ লোকাচাৰ

৬.৩ জোৰোণৰ সময়ৰ লোকাচাৰ

৬.৪ বিবাহৰ সময়ৰ লোকাচাৰ

৬.৫ বিবাহৰ পিছৰ লোকাচাৰ

৬.৬ বিবাহ সম্পৰ্কীয় লোকাচাৰৰ পৰিবৰ্তন আৰু বিশ্বায়নৰ প্ৰভাৱ

৭.০ উপসংহাৰ ৫১

গ্রন্থ পঞ্জী

সংবাদ দাতা

আলোক চিত্র

## ১.০ অৱতাৰণিকা

বিভিন্ন মানুহ, সমাজ আৰু কেইবাটাও অঞ্চল লগ হৈ এখন গাঁৱৰ সৃষ্টি হয়। ধৰ্ম, ভাষা, সাহিত্য, সংস্কৃতি, লোকাচাৰ আদি বিভিন্ন দিশ এখন গাঁৱত সন্নিবিষ্ট হৈ থাকে। নলবাৰী জিলাৰ ভিতৰৰ গাঁও এখন হ'ল পাটকাটা। প্ৰকল্পটিত গাঁওখনৰ পৰিচয়ৰ দ্বাৰা আৰম্ভ কৰি গাঁওখনত প্ৰচলিত শংকৰৰ সংঘৰ বিবাহ পদ্ধতিক অধ্যয়নৰ বিষয় বস্তু হিচাপে গ্ৰহণ কৰা হৈছে। পৃথিৱীৰ সকলো গাঁৱতে বিভিন্ন সময়ত বিভিন্ন পৰিবৰ্তন হোৱা দেখা যায়। গাঁৱক অনুসৰণ কৰিয়ে ধৰ্মৰ প্ৰচলন হয়। সকলো গাঁৱৰ ধৰ্ম বেলেগ বেলেগ ঠিক তেনেদৰে পাটকাটা গাঁৱৰ ধৰ্ম হৈছে বৈষ্ণৱ ধৰ্ম। এই প্ৰকল্পটিত শংকৰদেৱৰ বৈষ্ণৱ ধৰ্মৰ বিষয়ে অৱতাৰণা কৰা হৈছে। : সামাজিক ভাৱে:

প্ৰচলিত বিদ্যমান নীতি-নিয়ম, আচাৰ-অনুষ্ঠান গাঁৱখনৰ অংশ হৈ পৰিল। পাটবেৰ্টা গাঁৱত অনুসন্ধান কৰা বিষয়বোৰৰ প্ৰত্যেকো আলোচনা কৰা হৈছে।

## ১.১ অধ্যয়নৰ বিষয় বস্তু আৰু ক্ষেত্ৰ

নলবাৰী জিলাৰ অন্তৰ্গত পাটবেৰ্টা গাঁৱখনৰ মূল বিষয়-বস্তু হৈছে পাটবেৰ্টা গাঁৱৰ শংকৰ সংঘৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ। গাঁৱখনৰ ধৰ্ম, ভৌগোলিক পাৰিসীমা, ভাষা, বৃত্তি আদি সকলো বিষয় প্ৰকল্পৰ বিষয়-বস্তু হিচাপে সাঙোৰ খাই আছে।

গাঁৱখনৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ, বিশ্বাসৰ সমেত, সংস্কৃতি আদিকে গাঁও এখনৰ দাপোন স্বৰূপ বুলিব পাৰি। পাটবেৰ্টা গাঁৱত প্ৰচলিত হৈ অহা বিভিন্ন ৰীতি-নীতি, আচাৰ-অনুষ্ঠানক

অধ্যয়নৰ বিষয় বস্তু হিচাপে ধৰা হৈছে।

প্ৰকল্পটিত ক্ষেত্ৰ অধ্যয়নৰ গুৰুত্ব অপৰিসীম। ক্ষেত্ৰ অধ্যয়নৰ যোগেদি সত্য তথ্য উদ্‌ঘাটন কৰা হয়। ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে গাঁওসমূহৰ কিছুমান তথ্য তথ্য দাতাৰ পৰা সংগ্ৰহ কৰি অধ্যয়ন কৰা হয়। নলবাৰী জিলাৰ অন্তৰ্গত পাটকৰ্চা গাঁৱসমূহক এই প্ৰকল্পটিৰ অধ্যয়নৰ ক্ষেত্ৰ হিচাপে লোৱা হৈছে।

১.২ অধ্যয়নৰ লক্ষ্য আৰু উদ্দেশ্য

শীৰ্ষক প্ৰকল্পটি লিখিবলৈ লওঁতে অন্যান্য কেইটামান লক্ষ্য আৰু উদ্দেশ্য ৰখাতো দৰকাৰ।

ক/ পাটকৰ্চা গাঁৱৰ গাঁওবাসীৰ পৰিচয়ৰ লগতে এওঁলোকৰ মাজত প্ৰচলিত লোকাচাৰ সম্পৰ্কে প্ৰনালীবদ্ধ আলোচনা।

২/ পাটকাটা গাঁৱৰ সকলো দিশ আগবঢ়োৱা কথাটো জ্ঞানৰ পৰিসৰ বৃদ্ধিত অবিহনা যোগাইছে।

৩/ প্ৰকল্পটিত পাটকাটা গাঁৱৰ প্ৰচলিত সংস্কাৰ সংস্কাৰ পৰিচয়, জিলাৰ পৰিচয়, সংস্কৃতি, লোকাচাৰ, বিশ্বাসৰ পৰিৱৰ্তিত ৰূপৰ বিষয়ে সমীক্ষা আগবঢ়োৱা।

১.৩ অধ্যয়নৰ প্ৰয়োজনীয়তা

ষষ্ঠ ষাণ্মাসিকৰ প্ৰকল্পৰ কথাত মন সকলো ছাত্ৰীৰ বাবে প্ৰয়োজনীয় বিষয়। প্ৰকল্পৰ অভিজ্ঞতাই ব্যাপক পৰিসৰৰ জ্ঞান আহৰি লব পাৰিলে ভিন্নমুখী আগ্ৰহ, অভিজ্ঞতা আৰু প্ৰয়োজন পূৰণ কৰিব পাৰে। পাটকাটা গাঁৱত প্ৰচলিত সংস্কাৰ সংস্কাৰ বিষয়ে অৱগত কৰোৱাটো এই প্ৰকল্পটিৰ মূল প্ৰয়োজনীয় বিষয় গাঁৱগৱত প্ৰচলিত সংস্কাৰী ৰীতি-নীতি যাতে অসমৰ

লগে লগে আন্তৰাষ্ট্ৰ যায় সেইবাবে গাঁওসমূহৰ বিষয়ে অধ্যয়ন কৰাটো প্ৰয়োজন। এই প্ৰকল্পটি চালে যাতে বুজে পাটকোটা গাঁৱত শংকৰী ধৰ্মৰ প্ৰয়োজনীয়তা অতি গুৰুত্বপূৰ্ণ।

২.৪ পূৰ্বীকৃত অধ্যয়ন

পাটকোটা গাঁৱসমূহৰ বিষয়ক বাদ দি এই প্ৰকল্পটিত সংস্কৃতি, লোকাচাৰ আদি বিভিন্ন অধ্যায় সন্নিবিষ্ট হৈ আছে। সংস্কৃতি, লোকাচাৰ আদি দিশক লৈ ভালে সংখ্যক কিতাপ ইতিমধ্যে ৰচনা হৈছে। এই বিষয়ক লৈ পোৱা কেইখন কিতাপ হৈছে নবীন চন্দ্ৰ শৰ্মাৰ 'লোকসংস্কৃতি', ভূপেন শৰ্মাৰ 'অসমীয়া সংস্কৃতিৰ সম্ভাৰ, উমেশ চেতিয়াৰ 'অসমৰ লোক সংস্কৃতিৰ ৰূপৰেখা', প্ৰপান জ্যোতি নাথৰ সম্পাদিত 'লোক সংস্কৃতি আৰু বিশ্বায়ন', বকুল তালুকদাৰৰ

'অসমৰ সংস্কৃতি', প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ দ্বাৰা প্ৰকাশ পোৱা 'অসমীয়া জাতি আৰু সংস্কৃতি', ড° পৰমানন্দ ৰাজবংশীৰ সম্পাদনাত সম্পাদিত 'অসমীয়া জাতি আৰু সংস্কৃতি', অনিল চন্দ্ৰ মজুমদাৰ 'অসমীয়া সাহিত্যত লোক সাংস্কৃতিক উপাদান', মণিমা ভূঞাৰ 'লোক সংস্কৃতিৰ ৰূপদৰ্শন', বিৰিঞ্চি কুমাৰ বৰুৱাৰ 'অসমৰ লোক সংস্কৃতি', নাৰায়ণ দাস আৰু পৰমানন্দ ৰাজবংশীৰ সম্পাদনাৰে সম্পাদিত 'অসমীয়া সংস্কৃতিৰ কোষকলা', লীনা ডেকাৰ 'সংস্কৃতিৰ ৰূপৰেখা' আদি বিভিন্ন গ্ৰন্থ-সমূহত সংস্কৃতি, লোক সংস্কৃতিৰ বিভাগ, অৰ্থ, পৰম্পৰা, লোকাচাৰ আদিৰ সম্পৰ্কে বহুতো তথ্যপূৰ্ণ বৰ্ণনাত্মক আলোচনা পোৱা যায়। এই কিতাপ সমূহৰ দ্বাৰা সহায় লৈ প্ৰকল্পটিত মৰণ সংস্কৃতি আৰু লোকাচাৰ সম্পৰ্কে কিছু তথ্য সন্নিবিষ্ট হৈছে।

১.৫ অধ্যয়নৰ প্ৰণালী

সৰ্মিল সামাজিকৰ এই প্ৰকল্পটিৰ এটি বিশ্লেষণাত্মক আলোচনা আগবঢ়াই নিয়া হৈছে। এই প্ৰকল্পটি বৰ্ণনা কৰিবলৈ গাঁওতে বিভিন্ন দিশক লৈ প্ৰণালীবদ্ধ ভাৱে আলোচনা কৰা হৈছে। বিভিন্ন বিভাগ তথা ক্ষেত্ৰ অধ্যয়নৰ যোগেদি কিছু তথ্যৰ ভৌতিত্বে প্ৰকল্পটিৰ প্ৰণালী প্ৰস্তুত কৰা হৈছে। প্ৰকল্পটিৰ প্ৰণালী গঠিত হয় বৰ্ণনা মূলক, বিশ্লেষণাত্মক আদি আলোচনাৰে।

১.৬ প্ৰমেয়

প্ৰকল্পটিতে নিম্ন লিখিত দিশবোৰহটা প্ৰমেয় হিচাপে ধাৰণা কৰা হৈছে

১/ পাটকাটা গাঁওৰ আৰু নলবাৰী জিলাৰ ভৌগোলিক, জনগাঁথনিক দিশৰ পৰিচয় পোৱা যাব।

২/ পাটকোটা গাঁৱৰ লোকাচাৰৰ গুৰুত্ব, বিবাহ সম্পৰ্কীয় ৰীতি-নীতিৰ পৰিচয় আৰু পৰিবৰ্তনৰ আভাস পোৱা

পাব ।

৩/ সামগ্ৰিকভাৱে সংস্কৃতি, লোকাচাৰৰ সাম্প্ৰতিক ৰূপটোত সহায়ক হ'ব ।

# প্রথম অধ্যায়

২.০ গাঁৱৰ পৰিচয় :

নলবাৰী জিলাৰ ঘগ্ৰাপাৰ ৰাজহচক্ৰৰ অন্তৰ্গত পূৱ বনভাগ মৌজাৰ পাটকটা এখন ৰাজহ গাঁও। ই নলবাৰী জিলাৰ ঘগ্ৰাপাৰ অঞ্চলৰ পৰা প্ৰায় ৩ কিলোমিটাৰ দক্ষিণ - পশ্চিমে অৱস্থিত।

২.১ গাঁৱৰ নামৰ তাৎপৰ্য :

এই গাঁওখনৰ নাম পাটকটা হোৱাৰ কাৰণ আছিল পূৰ্বতে তাঁতী সকলে ইয়াত পাতৰ কাপোৰ বুইছিল সেইবাবে গাঁওখনৰ নাম আগতে তাঁতী পাৰা আছিল কিন্তু পৰৱৰ্তী সময়ত গাঁৱৰ কিছুমান ব্যক্তিৰ পৰা জানিব পাৰিলোঁ যে, গাঁওখনত কলপাত আৰু অন্যান্য পাতেৰে ভৰি আছিল আৰু মানুহে গৰু - ছাগলীক খুৱাবলৈ সদায় পাত কাটিছিল সেইবাবে হেনো এই গাঁওখনৰ নাম পাটকোটা হ'ল। (তথ্যদাতা প্ৰদীপ কুমাৰ বৈশ্য)

২.২ নলবাৰী জিলাৰ পৰিচয় :

নলবাৰী হৈছে অসমৰ এখন প্ৰশাসনকেন্দ্ৰিক উল্লেখযোগ্য জিলা। আগতে এই জিলাক কামৰূপ জিলাৰ মহকুমা হিচাপে জনা গৈছিল। ১৯৮৫ চনত নলবাৰীক এখন জিলা ৰূপে ঘোষণা কৰি দিয়ে। আগতে এই ঠাইত খাগৰি, বিৰিণা, নল আদি বিভিন্ন উদ্ভিদেৰে ভৰপুৰ হৈ থকাৰ বাবে এই জিলাখনৰ নাম নলবাৰী হয়। এই জিলাৰ পূবে কামৰূপ জিলা, পশ্চিমে বৰপেটা জিলা, উত্তৰ দিশে বাক্সা জিলা আৰু দক্ষিণে কামৰূপ জিলা (মেট্ৰ)। জিলাখনৰ আয়তন হৈছে ১,০০৪.৮৩ বৰ্গ কিলোমিটাৰ। নলবাৰী জিলাৰ ৰেল পথ আৰু স্থল পথৰ সু-ব্যৱস্থা আছে। নলবাৰী জিলাৰ ৩১ নং ৰাষ্ট্ৰীয় ঘাই পথ, এই পথে বৰমা, নলবাৰী, ঘগ্ৰাপাৰ আদি ঠাইক সংযোগ কৰিছে। ধান, সৰিয়হ, মৰাপাট আদিয়ে এই জিলাৰ প্ৰধান শস্য। জিলা খনৰ উন্নয়ন খণ্ড সমূহ হ'ল : বৰিগোগ বনভাগ,

পূব নলবাৰী, বৰভোগ, বৰক্ষেত্ৰী, পশ্চিম নলবাৰী, টিহু, বৰমা। জিলাখনত তিনিটা বিধান সভাৰ সমষ্টি আছে আৰু তিনিওটা সমষ্টি তিনিটা স্বকীয়া স্বকীয়া সংসদীয় সমষ্টিৰ অন্তৰ্গত। নলবাৰী জিলাৰ দক্ষিণ দিশেৰে ব্ৰহ্মপুত্ৰ নদী বৈ গৈছে। ইয়াৰ আনবোৰ উপনৈ হ'ল পাগলাদিয়া, নোনা, বৰলীয়া, বুঢ়াদিয়া, টিহু।

২.৩ পাটকাটা গাঁৱৰ ভৌগোলিক সীমা আৰু মাটিকালি :

পাটকাটা গাঁৱৰ ভৌগোলিক চাৰিসীমা —

- উত্তৰে দুৱাৰা গাঁও
- পূবে ন- মাউলী গাঁও
- দক্ষিণে নলবাৰী চিকিৎসা মহাবিদ্যালয়
- পশ্চিমে গুৱাকুছি গাঁও

মাটিকালি :- পাটকাটা গাঁৱৰ মাটিকালি প্ৰায় ১০ একৰ। গাঁওখনত কিছু চৰকাৰী মাটি ও আছে। গাঁওখনৰ ৰাস্তা-ঘাট আগতকৈ বহুত উন্নতি হৈছে। (তথ্য দাতা প্ৰদীপ বৈশ্য)

২.৪ পাটকোটা গাঁৱৰ জনসংখ্যা :

গাঁওখনত ৮২ টা পৰিয়ালে বসবাস কৰে। সেই অনুসৰি গাঁওখনৰ জনসংখ্যা হৈছে প্ৰায় ৩৪৮ জন। গাঁওখনত পুৰুষ মহিলাৰ সংখ্যাও প্ৰায় একেই। (তথ্যদাতা মনীন বৈশ্য)

২.৫ পাটকোটা গাঁৱৰ জীৱিকা :

গাঁওখনৰ প্ৰধান জীৱিকা হৈছে কৃষি। ইয়াত ধান খেতিৰ প্ৰচলন বেছি। বৰা ধান, জহা ধান, বজিৰ ধান, আইজুন ধান আদিৰ খেতি বেছিকৈ কৰা হয়। এই গাঁওখনত চাকৰিয়ালৰ সংখ্যাও প্ৰায় সমান। গাঁওখনত চাকৰি কৰা প্ৰায়বোৰ মানুহ শিক্ষক। কিছুমান ব্যৱসায়ী কৰা লোকো এই গাঁওখনত আছে। গাঁওখনৰ প্ৰত্যেক ঘৰ মানুহৰে খেতি কৰা মাটি আছে।

## ২.৬ পাটকাটা গাঁৱৰ ধৰ্ম :

গাঁওসমূহৰ ৮২ টা পৰিয়ালৰ ভিতৰত ৭৫ টা পৰিয়ালৰ ধৰ্ম হৈছে বৈষ্ণৱ ধৰ্ম। বাকী ৭টা পৰিয়াল শাক্ত ধৰ্মৰ, কিন্তু গাঁওসমূহৰ প্ৰধান ধৰ্ম হৈছে বৈষ্ণৱ। সেইবাবে গাঁওসমূহত পূজা-পাতল কৰা নহয়, শাক্ত ধৰ্মাৱলম্বী লোকসকলেও ডাঙৰকৈ পূজা অনুষ্ঠিত নকৰে আৰু যদি কেতিয়াবা পূজা কৰিব লগা হয় তেতিয়া নিজৰ ঘৰতে পূজা কৰে। পূজা কৰিলেও কোনো বলি-বিধান দিয়া পূজা নহয়। পাটকোটা গাঁওসমূহত নাম-প্ৰসংগ বেছিকৈ কৰা হয়। কাৰোবাৰ ঘৰত যদি কিবা অনুষ্ঠান থাকে তেতিয়া হ'লে ভকত-বৈষ্ণৱ সকলক মাতি নাম-প্ৰসংগ কৰে। সুবিৰ ওপৰত পাটকটা গাঁওসমূহত বৈষ্ণৱ ধৰ্মৰ সকলো নীতি-নিয়ম মানি চলা হয়।

২.৭ পাটকোটা গাঁৱৰ প্ৰসিদ্ধ স্থান :

পাটকোটা গাঁওমনৰ প্ৰসিদ্ধ স্থান বুলি কওঁতে এটা ৰাজেশ্বৰা মন্দিৰ আছে। এই ৰাজেশ্বৰা মন্দিৰটোত শ্ৰী শ্ৰী শংকৰদেৱৰ আবির্ভাৱ মহোৎসৱ পালন কৰা হয়। বৈষ্ণৱ ধৰ্মৰ আটাইকেইটা পৰিয়াল লগ হৈ এই শংকৰ উৎসৱ পালন কৰে। প্ৰত্যেক বছৰে তিনিদিনীয়া কাৰ্যসূচীৰে এই উৎসৱ পালন কৰা হয়। এই উৎসৱকে গাঁওমনৰ এক মাত্ৰ ডাঙৰ অনুষ্ঠান বুলি কব পাৰি। তথাপিতো দুই-তিনি বছৰ মানৰ পৰা গাঁওমনৰ ডেকা সকলে এই মন্দিৰটোত বিহু উৎসৱো অনুষ্ঠিত কৰিছে। এই মন্দিৰটোতে শ্ৰী শ্ৰী শংকৰদেৱ শ্ৰী শ্ৰী মাধৱদেৱ আৰু শ্ৰী শ্ৰী দামোদৰ দেৱৰ তিথি পালন কৰা হয়। এই মন্দিৰটোতে গাঁৱৰ মহিলা সকলে আৰু পুৰুষ সকলে লগ হৈ নাম-কীৰ্তন কৰে।

২.৮ পাটকাটা গাঁৱৰ ভাষা ঃ

গাঁওসমূহৰ প্ৰধান ভাষা হৈছে কামৰূপীয়া অসমীয়া। তথাপি গাঁওসমূহৰ উত্তৰ দিশে থকা গাঁওসমূহত বড়ো মানুহ আছে সেইবাবে থকা গাঁওসমূহৰ ভাষা হৈছে বড়ো। ওচৰে-পাজৰে যদিও বড়ো ভাষী লোক আছে তথাপিও কিন্তু পাটকাটা গাঁৱত বড়ো ভাষাৰ কোনো প্ৰভাৱ পৰা নাই। পাটকাটা গাঁৱত আন জনজাতীয় মানুহ নাই বাবে ইয়াৰ ভাষা সকলোৱেই প্ৰচলিত কামৰূপীয়া ভাষাই প্ৰধান।

২.৯ পাটকাটা গাঁৱৰ সাহিত্য ঃ

গাঁওসমূহত লোক সাহিত্যৰো প্ৰচলন আছে। লোক সাহিত্যৰ ভিতৰত পাটকাটা গাঁৱত বিয়ানাম, মহোহো গীত, আই নাম আদি লোক সাহিত্যৰ প্ৰচলন আছে। বিয়াত মহিলা সকলে যি গীত

গায় তাকে বিয়া গীত বোলে। জোৰণৰ সময়ত কইনা ঘৰৰ মহিলা সকলে গোৱা গীতক জোৰণৰ বিয়াগীত আৰু মহিলা সকলে পানী তুলিব যাওঁতে বিজুমাল হাস্য ৰসৰ গীত গায় এজনীয়ে আনজনীক জোকায় সেই গীতক ধেমালি গীত বোলে। কইনা বিদায় দিয়াৰ সময়ত, দৰা-কইনা গা ধোৱাৰ সময়ত, দৰাই কইনা আনিব যোৱাৰ সময়তো মহিলাসকলে বিয়াগীত পৰিবেশন কৰে।

আহোম আমৰ প্ৰথমবাৰ দিনা পাটকাটা গাঁওত সৰু লৰা-ছোৱালী সকলে ঘৰে ঘৰে ঘূৰি অসোৱাসো গীত গায় আৰু গৃহস্থৰ পৰা পইচা বা চাউল লয় আৰু গৃহস্থৰ ঘৰত মঙ্গল মাগি কুলি কৈ যায়।

আই ওলালে গাঁৱৰ মহিলা সকলক আতি শ্ৰী দেৱী ভগৱতীৰ নাম গোৱা হয় তাকে আইনাম বোলে। আই ওলালে চাৰিদিনৰ দিনা মহিলাসকলে আই নাম গায়।

# দ্বিতীয় অধ্যায়

৩.০ পাটকোটা গাঁৱত শংকৰ সংঘৰ পৰিচয় :

শ্ৰী শ্ৰীমন্ত শংকৰদেৱ সংঘ এক শৰণ নাম ধৰ্মৰ প্ৰৱৰ্তক শ্ৰী শ্ৰীমন্ত শংকৰদেৱৰ নীতি আদৰ্শ তথা দৰ্শনক আগত ৰাখি নিয়াৰ বাবে ১৯৩০ চনত প্ৰতিষ্ঠা হোৱা অনুষ্ঠান। এই সংগঠনটোৰ মূখ্য কাৰ্যালয় নগাঁওত অৱস্থিত। কু-সংস্কাৰ অন্ধবিশ্বাস ধৰ্মত নামত জীৱ-জন্তুক বলি দিয়াৰ প্ৰথাৰ বিৰুদ্ধাচৰণ কৰি সেই সময়ত শংকৰদেৱে নানা শাস্ত্ৰ অধ্যয়ন কৰি নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰৱৰ্তন কৰিছিল। (তথ্যদাতা, মনীন বৈশ্য)

নৱবৈষ্ণৱ ধৰ্মৰ প্ৰধান বাণী আছিল – “এক দেৱ এক সেৱ এক বিনে নাই কেহ।” শংকৰদেৱে সাধাৰণ মানুহক ভক্তিৰ ৰস দিবলৈ নামঘৰ, সত্ৰ আদি স্থাপন কৰিছিল। ঈশ্বৰৰ লীলা সম্বন্ধে ৰাইজৰ আগত দাঙি ধৰিবলৈ বৰগীত, টোটয় ৰচনা কৰিছিল, ভাওনা পৰিৱেশন কৰিছিল। গুৰুজনাই কেইবাটাও পোথাৰ

সংমিশ্রণ কৰি ব্ৰজাৱলী নামে এটা ভাষা ৰচনা কৰিছিল। অসমীয়া সংস্কৃতিৰ পৰম্পৰা কথাৰ উপৰিও লগত জড়িত বহু কাম শ্ৰী মন্ত শংকৰদেৱে সংঘৰ্ষ প্ৰত্যক্ষ আৰু পৰোক্ষ ভাৱে কৰি আহিছে।

বিংশ শতিকাৰ আৰম্ভণিতে অসমত বিভিন্ন ধৰণৰ আন্দোলন আৰম্ভ হয়। এয়া আছিল সত্যৰ সন্ধানৰ আন্দোলন যত একাংশ বিপ্লৱী প্ৰতিনিধিয়ে আগভাগ লৈছিল। এই বিপ্লৱী লোক সকল মহাত্মা গান্ধীৰ নেতৃত্বত স্বাধীনতা আন্দোলনত অংশ লৈছিল, তেওঁলোকে সমাজৰ পৰা অন্ধবিশ্বাস আঁতৰাবলৈ চেষ্টা কৰিছিল। তেওঁলোকে উপলব্ধি কৰিছিল যে মহাপুৰুষ শ্ৰী মন্ত শংকৰদেৱে আৰু মহাপুৰুষ শ্ৰী শ্ৰী মাধৱদেৱে আৰম্ভ কৰা এক শৰণ নাম ধৰ্ম্মই হৈছে সমাজ সনক একাংশ আদি সত্য প্ৰচাৰ মুক্ত কৰাৰ পথ। মহাপুৰুষ শংকৰদেৱে প্ৰচাৰ কৰা ধৰ্মটোৰ বিপৰীতে বিদ্যমান

যিহঁত জাতিগত বাধাৰ পৰিবৰ্তন হৈছিল। ইয়াৰ বিৰুদ্ধে যুঁজিবলৈ নিজৰ শক্তিশালী কলমেৰে প্ৰতিবাদ কৰা প্ৰথম জন ব্যক্তি আছিল আধুনিক অসমৰ মহান সাহিত্যিক ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা। (সূত্ৰ, প্ৰফুল্ল চন্দ্ৰ ১৫)

শংকৰৰ সংঘৰ অন্তৰ্গত এখন বা ততোধিক গাঁওত থকা প্ৰতিখন সমিতিক প্ৰাথমিক স্কুলি জনা যায়। পাটকোটা গাঁওত থকা সমিতি খনৰ নাম হৈছে পাটকোটা প্ৰাথমিক সমিতি। শ্ৰী মন্ত শংকৰদেৱ সংঘৰ নিজস্ব সংবিধান আৰু মহাপুৰুষ জনাৰ জন্মৰ পৰা গণনা কৰা শংকৰাব্দ নামৰ দিনপঞ্জী আছে। শ্ৰী মন্ত শংকৰদেৱ সংঘৰ বাৰ্ষিক অধিৱেশন প্ৰত্যেক বছৰে অসমৰ একো একোখন জিলাত অনুষ্ঠিত কৰা হয়। এই অধিৱেশনত প্ৰতি বছৰে লক্ষ লক্ষ লোকৰ সমাগম হয়। পাটকোটা গাঁওত শংকৰ সংঘৰ নিয়ম পূৰ্বৰে পৰা

চলি আহিছে। এই গাঁৱত অনুষ্ঠিত হোৱা শংকৰ উৎসৱত বাহি হোৱা পইচাখিনি প্ৰাথমিকৰ হাতত জমা দিয়ে। প্ৰাথমিকে সেই পইচাখিনি মন্দিৰৰ কিম্বা কামত লগায়। প্ৰাথমিকৰ এজন সভাপতি আৰু এজন সম্পাদক থাকে আৰু প্ৰত্যেক বছৰে গাঁৱৰ মানুহখিনি লগ হৈ এখন নতুন প্ৰাথমিক গঠন কৰে। শংকৰ সংঘত প্ৰচলিত প্ৰায়বোৰ নিয়ম পাটকাটা গাঁৱত দেখিবলৈ পোৱা যায়। (তথ্য দাতা, মনীন বৈশ্য)

প্ৰসংগ পুথি:

ভূঞা, ড° প্ৰফুল্ল চন্দ্ৰ। অসম বৈষ্ণৱ ধৰ্মৰ তত্ত্ব আৰু দৰ্শন। গুৱাহাটী বাণী প্ৰকাশ, ১৯৮৬।

# তৃতীয় অধ্যায়

৪.০ সংস্কৃতিৰ স্বৰূপ :

কৃষ্টিৰ পৰিমাৰ্জিত ৰূপেই সংস্কৃতি। বিভিন্ন সংস্কাৰৰ মাধ্যমত আনুষ্ঠানিক জীৱনত লাভ কৰা অৱস্থাৰ নামেই হৈছে সংস্কৃতি। সংস্কৃতিৰ সংজ্ঞা আৰু স্বৰূপ সম্বন্ধে এটা সুস্পষ্ট ধাৰণা দিয়া কঠিন। সংস্কৃতিৰ লগত সততে জড়িত হৈ থাকে এখন সমাজ আৰু সেই সমাজখনৰ অংগীভূত সদস্য ৰূপে মানুহে আহৰণ কৰা জ্ঞান, বিশ্বাস, কলা, ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, উৎসৱ-অনুষ্ঠান, নৈতিকতা, আইন আৰু অন্যান্য সামাজিক উপাদানসমূহ।

সংস্কৃতি স্বৰূপ নিৰ্ণয়ৰ ক্ষেত্ৰত জ্যোতিপ্ৰসাদ আগৰৱালাদেৱে বিশেষ বাস্তৱ দৃষ্টিভংগীৰে চিন্তা কৰিছিল। আগৰৱালাদেৱে কৈছিল, “আমি বাহ্যিক জীৱনৰ সকলো আহিলাতে সৌন্দৰ্য প্ৰয়োগ কৰাৰ লগে লগে আমাৰ মন আৰু হৃদয়ৰ ওপৰতো সৌন্দৰ্য প্ৰয়োগ কৰো। এই বাহিৰ আৰু ভিতৰৰ দুয়োৰে উৎকৰ্ষণ আৰু তাত সৌন্দৰ্য প্ৰয়োগ কৰিলেই মানুহৰ সংস্কৃতিয়ে পূৰ্ণ ৰূপ পায়। এজন মানুহ

যদি সুকুমাৰ বৰুৱাৰ দৃষ্টিত আচলৰ সৌন্দৰ্য্য সৃষ্টি কৰিব পৰা হৈছে, মানুহৰ মাজত ব্যৱহাৰত আৰু অগ্ৰগত মানসিক গুণবোৰে প্ৰকাশ কৰিব নোৱাৰে তেন্তে সেই মানুহজনৰ সংস্কৃতি নিশ্চয় অসম্পূৰ্ণ বুলিব লাগিব।" (বৰুৱা, বিৰিঞ্চি কুমাৰ ৬৮)

সমাজ- বিশেষত পৰম্পৰাগতভাৱে চলি অহা আচাৰ - আচৰণৰ মাজেদি সমাজখনৰ বৈশিষ্ট্যৰ দিশ উন্মোচিত হয়। এই বৈশিষ্ট্য পূৰ্ণ দিশটোৱেই সমাজখনৰ Culture বা সংস্কৃতি।

৪.১ সংস্কৃতিৰ সংজ্ঞা আৰু শ্ৰেণীবিভাজন:

পণ্ডিতসকলে সংস্কৃতি শব্দটোৰ ব্যৱহাৰ বিভিন্ন ধৰণে কৰিছিল। সংস্কৃতিৰ সংজ্ঞা বিভিন্ন জন পণ্ডিতে বিভিন্ন ধৰণে দাঙি ধৰিছিল। সংস্কৃতি শব্দৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Culture'. এই শব্দটো লেটিন ভাষাৰ পৰা আহিছে। ১৮৬৫ চনত এডৱাৰ্ড টাইলাৰে প্ৰথমবাৰৰ বাবে

'Culture' শব্দটো ব্যৱহাৰ কৰিছিল। (গগৈ, লীলা ৬)

ড° নবীন চন্দ্ৰ শৰ্মাৰ মতে, "এবিধ ক্ৰিয়াৰ বাৰম্বাৰ আচৰণ বা আবৃত্তিৰ কৰ্ষণ বা কৃষ্টি আখ্যা দিব পাৰি, আৰু এই কৃষ্টিক সংস্কাৰ কৰি লোৱাটোৰ নামেই সংস্কৃতি।" ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে, "একাধাৰে মস্তো তৰুৰ পুষ্প আৰু তাৰ আভ্যন্তৰ প্ৰাণ বা মানসিক অনুপ্ৰেৰণা যা, তাই হচ্ছে 'Culture'।" মেথিউ আৰ্নল্ডৰ মতে, " মাধুৰ্য আৰু আলোকেই সংস্কৃতি।" লীলা গগৈৰ মতে, " সংস্কৃতি এটা জাতিৰ জাতীয় জীৱনৰ বোৱতী সুঁতি নৈৰ গতিয়েই সংস্কৃতিৰ গতি। নৈয়ে যেনেকৈ নিৰৱচ্ছিন্ন গতিৰে চিৰদিন বৈ থাকে, সংস্কৃতিও তেনেকৈ ধাৰাবাহিক গতিৰে চলি থাকে।" (শৰ্মা, নবীন ৪৭)

সংস্কৃতিৰ পৰিধি অতিশয় ব্যাপক। সংস্কৃতিক তিনিটা শ্ৰেণীত ভাগ কৰা হৈছে। ভাগকেইটাৰ বিষয়ে সংক্ষিপ্ত উল্লেখ কৰা হ'ল —

i) অভিজাত সংস্কৃতি

ii) লোক সংস্কৃতি

iii) জনজাতীয় সংস্কৃতি । (শৰ্মা, নবীন ৪৩)

৪.২ অভিজাত সংস্কৃতি :- ৰীতিবদ্ধ, সুনিৰ্দিষ্ট আৰু আত্মসচেতনতা যুক্ত সংস্কৃতিকেই অভিজাত সংস্কৃতি আখ্যা দিয়া হয় । অভিজাত সংস্কৃতিক শাস্ত্ৰীয় বা বৈদিক বা মাৰ্গীয় সংস্কৃতিও বুলিব পাৰি । ভাৰতবৰ্ষত অভিজাত সংস্কৃতিৰ উদ্ভৱ আজিৰ পৰা দুহেজাৰ পাঁচশ বছৰৰ পূৰ্বেই সম্ভৱ হৈছে । অৱশ্যে অভিজাত সংস্কৃতিৰ উদ্ভৱ আৰু বিকাশ লোক - সংস্কৃতিৰ পূৰ্বেই নে পৰৱৰ্তী কালত হৈছিল সেই কথা কব পৰা নাযায় । সময়ৰ সোঁতত যথেষ্ট পৰিবৰ্তনৰ সন্মুখীন হলেও ভাৰতীয় অভিজাত সংস্কৃতিৰ গতি চিত্ৰ প্ৰবাহমান ৰূপত অব্যাহত হৈ আছে ।

৪.৩ লোক সংস্কৃতি :- লোক বা পৰিৱেশ্য কলা যেনে - পুতলা নাচ, ঢুলীয়া, ওজাপালি, দেওধনি, বাগৰুম্বা, নাট্যৰূপ বিশিষ্ট

অনুষ্ঠান মেনে :- বিয়া, কৃষি উৎসৱ, পূজা- উপাসনা আদি বিভিন্ন উৎসৱ, লোক- কাহিনী, লোক গীত লোক ভাষা, লোক সংগীত আদি বিভিন্ন কলাৰ পদ্ধতি গত অনুশীলন আৰু অধ্যয়নেই হ'ল লোক সংস্কৃতি। সহজ ভাষাত লোকৰ দ্বাৰা সৃষ্ট যি সংস্কৃতি সেয়ে লোক- সংস্কৃতি।

৪.৪ জনজাতীয় সংস্কৃতি :- জনজাতীয় সকলৰ দ্বাৰা সৃষ্ট সংস্কৃতিয়েই হ'ল জনজাতীয় সংস্কৃতি। জনজাতীয় সংস্কৃতি স্বয়ং সম্পূৰ্ণ তথা প্ৰায় অক্ষত। কোনো পৰিস্থিতিত জনজাতীয় সংস্কৃতি যদি লোক বা অভিজাত সংস্কৃতিৰ দ্বাৰা গভীৰভাৱে প্ৰভাৱান্বিত হয়, তেন্তে প্ৰকৃতাৰ্থত সি আৰু জনজাতীয় সংস্কৃতি হৈ থাকিব নোৱাৰে। অৱশ্যে জনজাতীয় সংস্কৃতিৰ দ্বাৰা প্ৰভাৱান্বিত হ'লেও লোক অথবা শিষ্ট সংস্কৃতিৰ কোনো পৰিবৰ্তন নহয়।

প্ৰসংগ পুথি :

গগৈ, লীলা। অসমৰ সংস্কৃতি। ডিব্ৰুগড় বনলতা, ২০১১।

বৰুৱা, বিৰিঞ্চি কুমাৰ । অসমীয়া ভাষা আৰু সংস্কৃতি ।
গুৱাহাটী, ১৯৫৩ ।

শৰ্মা, নবীন চন্দ্ৰ । অসমীয়া লোকসংস্কৃতিৰ আভাস ।
বাণী প্ৰকাশ, গুৱাহাটী ১৯৯৫ ।

# চতুর্থ অধ্যায়

৫.০ লোকাচাৰ ঃ

এক সামাজিক গোটৰ ব্যক্তিসকলৰ মাজত পৰম্পৰাগত ভাৱে চলি অহা তথা একতাবদ্ধ কৰি ৰখা সিবোৰ কাম-কাজ অৰ্থাৎ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰক সাধাৰণতেই লোকাচাৰ বোলা হয়। যেনে :- নামঘৰৰ দীয়া, জন্ম, মৃত্যু, বিবাহ, শৰ সৎকাৰ ইত্যাদি। লোকাচাৰ লোক-সংস্কৃতিৰ এক বিশিষ্ট অংশ।

৫.১ লোকাচাৰৰ অৰ্থ, সংজ্ঞা আৰু প্ৰকাশ ঃ

লোকাচাৰৰ ইংৰাজী প্ৰতিশব্দ 'ritual'। ইংৰাজী শব্দ 'ritual' লেটিন 'ritualis' শব্দৰ পৰা উদ্ভৱ হৈছে ইয়াৰ অৰ্থ হৈছে "যি আচাৰৰ সৈতে সম্পৰ্কিত।" (Web Site সংগৃহীত)

লোকাচাৰ সমূহ মানুহৰ জীৱনত পূৰ্বৰে পৰা চলি অহা লোকবিশ্বাসৰ ভেটিত গঢ়ি উঠা এক পৰম্পৰা। লোকাচাৰবোৰ কোনো জাতিৰ মাজত এদিনাতে উদ্ভৱ হোৱা

নাই। লোকাচাৰ কেতিয়া প্ৰৱৰ্তন হৈছিল তাৰ সঠিক সিদ্ধান্ত এটা দিয়াটো কঠিন। লোকাচাৰৰ দুটা সংজ্ঞা উল্লেখ কৰা হ'ল।

মেইকাইভাৰ আৰু পেজৰ মতে, "যেতিয়া জন ৰীতিবোৰ সিহঁতৰ লগত শুদ্ধ বা সামুহিক কল্যাণৰ ধাৰাৰ সংযোগ কৰে তেতিয়া সিহঁত লোকাচাৰলৈ ৰূপান্তিত হয়।" গিলিনৰ মতে, "লোকাচাৰ এনে বিদ্যমান প্ৰথা আৰু সামাজিক কাৰ্যক্ৰম, যিবোৰৰ সমাজৰ সদস্যসকলে সমূহৰ বা সমাজৰ অবিৰত স্থিতিৰ বাবে প্ৰয়োজনীয়তা বুলি ভাবে।" (MacIver and Page P-২০). (Gillin Gillin P-315).

লোকাচাৰবোৰ লোকবিশ্বাসৰ ভিত্তিত সৃষ্টি। গতিকে কব পাৰি যে, পূৰ্বৰ মানুহে অভ্যতা বিকাশত নানা অভিজ্ঞতাৰ সন্মুখীন হৈ লগীয়া হোৱাত সাটো লোকাচাৰ সমূহৰ সৃষ্টি হৈছিল। লোকাচাৰৰ লগত

লোকবিশ্বাসৰ এক এৰাব নোৱাৰা সম্পৰ্ক আছে। আদিম মানুহে প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল আছিল আৰু সেইবাবে নিজকে প্ৰকৃতিৰ অংশ বুলি ভাবিছিল। তেওঁলোকে প্ৰকৃতিৰ বিধ্বংসী ভয়াবহতাৰ পৰা ৰক্ষা পাবলৈ প্ৰকৃতিক পূজা কৰিছিল। তাৰ পৰাই লোকাচাৰৰ অন্তৰ্গত কাম-কাজৰ কোনো সীমা নাথাকে। লোকাচাৰ সমূহৰ লগত মানুহৰ মনৰ সম্পৰ্ক জড়িত হৈ আছে, কিন্তু সময়ৰ সোঁতত লোকাচাৰ বোৰৰ পৰিবৰ্তন হৈ আছে বুলি কব পাৰি।

6.2 লোকাচাৰৰ সৈতে আৰ্থসামাজিক, সামাজিক আৰু বৈজ্ঞানিক সম্পৰ্ক:

সমাজ হৈছে সংগঠনৰ গাঁঠনি স্বৰূপ। সময়ৰ পৰিবৰ্তনৰ লগে লগে সমাজ এমনো পৰিবৰ্তন হৈ যায়। সমাজ এখন গঠিত হ'বলৈ জনসংখ্যা, স্থান, সময় আদিৰ প্ৰয়োজন। সমাজৰ জৰিয়তেহে মানুহে নিজৰ স্বীকৃতি

লাভ কৰে। আদিম কালৰে পৰা মানুহে দল পাতি সমাজ গঢ়িছিল আৰু তাৰে পৰাই জাতি, জনগোষ্ঠী আদিৰ সৃষ্টি হৈছিল। এই সামাজিকৰণ প্ৰক্ৰিয়াৰ সৈতে জড়িত হৈ আছে অৰ্থ-সামাজিক দিশ।

আদিম কালৰে পৰা মানুহে সমাজ পাতি বসবাস কৰাৰ সময়ত কিছুমান ৰীতি-নীতিৰ সৃষ্টি হ'ল তাৰ পৰাই লোকাচাৰৰ জন্ম হ'ল। আগতে মানুহে যেনেকৈ চিন্তা কৰিছিল এই চিন্তাৰ ধাৰা, সময় আদি পৰিৱৰ্তনে সামাজিক দিশতো প্ৰভাৱ পেলাইছে। মানুহে সমাজৰ মাধ্যমেৰে সামাজিক আচৰণ শিকে। সমাজে এজনৰ ভাব-চিন্তা, মূল্যবোধ, আচাৰ-ব্যৱহাৰ আদিৰ জৰিয়তে মানুহে আন মানুহৰ সৈতে মিলিব পাৰে। এখন সমাজৰ লোকাচাৰ লৌকিক দিশৰ ওপৰতো নিৰ্ভৰ কৰে।

লোকাচাৰৰ সৈতে অৰ্থ সামাজিক, সামাজিক সম্পৰ্ক থকাৰ দৰে বৈজ্ঞানিক সম্পৰ্ক নথকা নহয়। বৰ্তমান যুগটো হৈছে বৈজ্ঞানিক যুগ। বিজ্ঞান

আৰু প্ৰযুক্তি বিদ্যাই যুক্তি সহকাৰে প্ৰমাণ দিব নোৱাৰিলে কিছুমান সামাজিক লোকাচাৰক অন্ধবিশ্বাস বুলি কয়। উদাহৰণ স্বৰূপে গাঁওলীয়া সমাজত তুলসীক পূজা কৰাৰ লোকাচাৰ আছে কিন্তু বিজ্ঞানসন্মত কাৰণত তুলসী গুণাগুণ প্ৰতিকাৰত সহায় কৰে। বৰ্তমান সমাজৰ লোকাচাৰ সমূহ বিজ্ঞানসন্মত দৃষ্টি-ভংগীৰ দিশলৈ আগুৱাই গৈ আছে।

#( বৈশ্য, দীনেশ ৩৩)

৫.৩ লোকাচাৰৰ বিভাগ :

লোকাচাৰ সংস্কৃতিৰ এক বিশিষ্ট অংগ বুলি কব পাৰি। অসমীয়া সমাজত অতি পুৰণি কালৰ পৰা বিভিন্ন বিশ্বাস আৰু সংস্কাৰ জড়িত হৈ আছিল, বৰ্তমান সমাজতো এই বিশ্বাস বা ৰীতি-নীতিসমূহ প্ৰচলিত হৈ আছে। লোকাচাৰক চাৰিটা ভাগত ভাগ কৰা হৈছে। সেইকেইটা হ'ল — i) উৎসৱ অনুষ্ঠান

ii) অৱসৰ বিনোদন আৰু খেল-ধেমালি

iii) লোক ঔষধি

iv) লোক ধৰ্ম।

(শৰ্মা, নবীন ২২)

৫.৪ অসম আৰু নলবাৰীৰ লোকাচাৰ:

অসমৰ সৰহ সংখ্যক লোকেই গাঁওবাসী, কৃষিৰ ওপৰতে বেছিভাগ লোক নিৰ্ভৰশীল। সমাজত প্ৰচলিত বিবিধ বিশ্বাস, ধৰ্ম, উৎসৱ-অনুষ্ঠান, জন্ম-মৃত্যু-বিবাহৰ সৈতে জড়িত বিবিধ অনুষ্ঠান, মেল-মিতালী আদিবোৰেই সাধাৰণভাৱে সামাজিক লোকাচাৰ আখ্যা দিব পাৰি। নামনি অসমত বিশেষকৈ নলবাৰী জিলাত কৃষি সম্পৰ্কীয় লোকাচাৰ জড়িত হৈ আছে। মানুহে ভূঁই ৰুবৰ সময়ত নামঘৰত এযোগ প্ৰসাদ আগবঢ়াই আৰু ভালদৰে প্ৰাৰ্থনা কৰে যাতে ধান লদন-বদন হয়। নামনি অসমত পালন কৰা আন এটা লোকাচাৰ হ'ল মহ খেদা। মানুহে বিশ্বাস কৰে যে, ঘৰত মহ খেদা গীত গালে গোহালীত আৰু গৃহস্থৰ ঘৰত মহ কমে। গৰু, মেৰাই,

শেকুৰী, কুকুৰ আদিবো লৈও বিভিন্ন লোকবিশ্বাস জড়িত হৈ আছে। যেনে- সোপান দোমিলে যদি গাভুৰ আগত পানী ঢালে তেতিয়া সোপান কুঁহুলে বুলি মানুহে বিশ্বাস কৰে, ৰাতি মেকুৰী ঘৰৰ ওচৰত মাতিলে গৃহস্থৰ অমংগল হয় বুলি মানি লোৱা হয়, শেকুৰী আগেৰে দৌৰিলে যেনে হ'ব বুলি মানুহে ভাবে, কুকুৰে মাজ ৰাতি কান্দিলে কিবা অঘটন ঘটিব পাৰে বুলি কিছু লোকবিশ্বাস বৰ্তমান সমাজতো আছে। লোকাচাৰ ব্যক্তিগত জীৱনৰ সমষ্টি নহয়, সামাজিক জীৱনৰহে সমষ্টি। লোকাচাৰৰ পৰা কিছু ভয় আৰু বিস্ময়ভাৱৰ কাৰণেও লোকবিশ্বাসৰ সৃষ্টি হ'ব পাৰে।

৫.৫ পাটকোটা গাঁৱৰ লোকাচাৰ :

পাটকোটা গাঁওসমূহ নলবাৰী জিলাৰে ভিতৰুৱা গাঁও। এই গাঁওসমূহৰ লগত বিভিন্ন লোকাচাৰ আৰু লোকবিশ্বাস জড়িত হৈ আছে। এই গাঁওসমূহৰ মানুহে

বিশ্বাস কৰে পূবৰ ফালে ৰামধেনু ওলালে ধানৰ খেতি ভাল হয়, পশ্চিম আকাশত ওলালে বানপানী হয়, উত্তৰ ফালে ওলালে গছত আমোল বেছিকৈ লাগে আৰু দক্ষিণে ওলালে মানুহৰ সকলো আশা ধূলি হৈ যায় অৰ্থাৎ আশা কৰা ধৰণে একো নহয় বুলি জনসাধাৰণে বিশ্বাস কৰে। এই গাঁওসমূহৰ মানুহে প্ৰকৃতিৰ বিভিন্ন লোকাচাৰক লোকবিশ্বাসৰ ৰূপ দিছে। ভূমিকম্প আহিলে বৰষুণ হয় আৰু পৰুৱা বেছিকৈ ওলালে বৰষুণ হয় বুলি এই গাঁৱৰ মানুহে বিশ্বাস কৰে। এইবোৰৰ উপৰিও পাটকোটা গাঁৱত জন্ম-মৃত্যু-বিবাহ, আচাৰ-অনুষ্ঠান আদিৰ লোকাচাৰ আছে। এই গাঁৱত বিশ্বৰ সৈতে জড়িত কিছু লোকাচাৰো আছে। কিছু কিছু ক্ষেত্ৰত গাঁওসমূহত অন্ধবিশ্বাস নথকা নহয় কিন্তু পৰৱৰ্তী সময়ত এই লোকাচাৰ সমূহ বিজ্ঞানসন্মত দিশৰ ফালে গতি কৰিছে।

৫.৬ জন্ম-মৃত্যু-বিবাহৰ গুৰুত্ব ঃ

জন্ম, মৃত্যু, বিবাহ এই তিনিওটা মানৱ

জীৱনৰ এবাৰ হোৱা ঘটনা । এই তিনিওটাৰ কেন্দ্ৰ কৰি বহুতো লোকাচাৰ তথা লোকবিশ্বাসৰ সৃষ্টি হৈছে । মানুহৰ জীৱনৰ জন্ম, মৃত্যু, বিবাহ সমগ্ৰ জীৱনৰ বিভিন্ন কাৰ্যকলাপৰ লগত জড়িত নীতি-নিয়মৰ সমষ্টিয়ে হৈছে লোকাচাৰ । অসমীয়া লোকাচাৰসমূহৰ লগত বিভিন্ন জাতি-জনজাতিৰ উপাদান বা নীতি-নিয়মৰ সংমিশ্ৰণ ঘটা দেখা যায় । অসমীয়া সমাজত প্ৰচলিত জন্ম, মৃত্যু, বিবাহৰ ওপৰত আলোচনা কৰা হ'ল -

সন্তান জন্মৰ সময়তো নাৰীৰ ভূমিকা কম নহয় । সন্তানৰ জন্মৰ আগত গৰ্ভৱতী মহিলাই জীয় মাৰিলে গৰ্ভস্থ সন্তান নষ্ট হয় বুলি অসমীয়া সমাজত লোকবিশ্বাস আছে । মাজ ৰাতি অথবা ভৰ দুপৰীয়া অকলে জয়াল ঠাইলৈ গ'লে, শ্মশানলৈ গ'লে ভয় খাব পাৰে আৰু গৰ্ভৱতীৰ নাৰীৰ গাত, পেটত ভূতে লম্ভিব পাৰে লোকবিশ্বাস আছে । প্ৰসৱৰ পিছত গৰ্ভৱতী মহিলা থকা কোঠাটোৰ দুৱাৰ মুখত নগৰীয়া জেং (কাঁইট) ৰখা হয়, যাতে অপদেৱতা গৰ্ভৱতী মহিলাৰ

ওপৰলৈ আহিব নোৱাৰে, বিচনাৰ তলত দা বা কটাৰীও ৰখা হয়। প্ৰসৱৰ পিছত নাড়িচ্ছেদন, নামকৰণ, চূড়াকৰণ, অন্ন প্ৰসন্ন ইত্যাদি লোকাচাৰৰ গুৰুত্ব আছে।

মৃত্যু সম্পৰ্কীয় লোকাচাৰৰ গুৰুত্ব হ'ল — স্বামীৰ মৃত্যুত নাৰীয়ে বৈধব্য জীৱনৰ ব্ৰত হিচাপে সেন্দুৰ আৰু আ-অলংকাৰ পৰিহাৰ কৰে। মৃত্যুৰ পিছত ঘৰ সকলৰ মানুহে ধৰ্মীয়মতে আগতি কীৰ্তন শুনে। তিনি দিনলৈ লঘোণে থাকে আৰু গধূলি হবিষ্য কৰে আৰু ১১ দিনলৈ তেল নামায়। মৃত্যুৰ ছমাহৰ পিছত 'ছয়মাহিলী' আৰু এবছৰত 'বছৰেকীয়া' পতা হয়। মৃতকৰ আত্মাৰ চিৰ শান্তি কৰাৰ বাবে 'ছয়মাহিলী' আৰু 'বছৰেকীয়া' পতা হয়। কম বয়সীয়া সন্তানৰ মৃত্যু হ'লে অধিবাসীতে পুতি থোৱা নিয়ম আছে। মৃত্যুৰ সময়ত পালিত এইবোৰ লোকাচাৰৰ গুৰুত্ব অধিক।

বিবাহ সম্পৰ্কীয় লোকাচাৰসমূহে অসমীয়া

সংস্কৃতিৰ বাপটো অধিক সুদৃঢ় কৰিছে। বিয়াৰ সেতে জাড়ত পানী তোলা, মন্দপ সজোৱা, উৰুলি দিয়া আদি লোকাচাৰ পালন কৰা হয়। বিয়াৰ আগদিনা দৰা ঘৰৰ পৰা কইনা ঘৰলৈ জোৰোণ দিয়া লোকাচাৰো আছে। বিয়াৰ পিছত কইনা ঘৰৰ মানুহে অধিবাসংগলা দিয়ে আৰু দৰা ঘৰৰ মানুহ আহি অধিবাসংগলা খুলি কইনাক লৈ যায়। এনেযোৰ কাৰণতে বিবাহ সম্পৰ্কীয় লোকাচাৰৰ গুৰুত্ব আছে বুলি কব পাৰি।

প্ৰসংগ পুথি:

বৈশ্য, দীনেশ। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উপাদান।
চন্দ্ৰ প্ৰকাশ, ২০০৮
শৰ্মা, নবীন চন্দ্ৰ। লোকসংস্কৃতি। চন্দ্ৰ প্ৰকাশ, পানবজাৰ, ১৯৯৭।
Gillin and Gillin : Cultural Sociology, New York, 1948
MacIver and Page : Society, New York, 1959
অতীত - অসমীয়া সাহিত্য অসমীয়া ভাষাৰ এক ই-প্ৰয়াস।

https://Satirtha.in/tag/%e0%ae%/b8%e0%aa%a6%be/2021

# পঞ্চম অধ্যায়

৬.০ পাটকোটা গাঁৱত প্ৰচলিত শংকৰৰ সংঘৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ :

লোকাচাৰ লোক সংস্কৃতিৰ এক বিশিষ্ট অংশ। এই গাঁৱত বিয়াৰ লগতে পানী তোলা, আইলা সকলে উৰুলি দিয়া, বিয়নাম গোৱা আদি লোকাচাৰ জড়িত হৈ আছে। গাঁওখনত মিশ্ৰ শংকৰী মানুহে বাস কৰে যদিও ইয়াৰ লোকাচাৰ অন্যতকৈ অলপ বেলেগ ধৰণে পালন কৰা হয়। শংকৰী বিয়াৰ নীতি-নিয়ম মতে বিয়াৰ আগত পালন কৰা লোকাচাৰ, বিয়াৰ সময়ত পালন কৰা লোকাচাৰ, বিয়াৰ পিছৰ লোকাচাৰ সমূহে হ'ল পাটকোটা গাঁৱত প্ৰচলিত বিবাহ সম্পৰ্কীয় লোকাচাৰ। সেই লোকাচাৰ সম্পৰ্কে তলত উল্লেখ কৰা হ'ল -।

৬.১ কইনা চাবলৈ যোৱা লোকাচাৰ:

পাটকোটা গাঁৱৰ নিয়ম অনুসৰি লৰাই কইনা

চাবলৈ যাওঁতে লগত দুই-তিনিজন মান লৰাৰ সৈতে কইনা চাবলৈ যায়। যদি লৰাই ছোৱালী পছন্দ কৰে আৰু ছোৱালীয়েও যদি লৰাক পছন্দ কৰে তেতিয়া ছোৱালী ঘৰৰ মানুহে লৰা ঘৰৰ ডাঙৰ ব্যক্তি কেইজনমানক নিমন্ত্ৰণ কৰে।

৬.২ বিবাহৰ দিন ঠিক কৰা লোকাচাৰ :

লৰা ঘৰৰ ডাঙৰ ব্যক্তি কেইজনমান ছোৱালী ঘৰলৈ আহি লৰা-ছোৱালীৰ ৰাশি মিলাই বিয়াৰ দিন ঠিক কৰে। লৰা ছোৱালীৰ যোৰ বছৰত বিয়া নাপাতে। যদি লৰা-ছোৱালীৰ যোৰ বছৰ চলি থাকে তেতিয়া চিন হিচাপে লৰা ঘৰৰ মানুহে ছোৱালী ঘৰলৈ গৈ আঙুঠি পিন্ধোৱা লোকাচাৰ পালন কৰে। যদি যোৰ বছৰ চলি নাথাকে তেতিয়া এই বছৰতে পুহ আৰু চ'ত মাহক বাদ দি বাকী কেইটা

আহৰ দিন আৰু তাৰিখ এটা চাই বিয়াৰ দিন ঠিক কৰে।

৬.৩ জোৰোণৰ সময়ৰ লোকাচাৰ :

পাটকাটা গাঁৱৰ পৰম্পৰা ৰীতি-নীতি অনুসৰি বিয়াৰ চাৰিদিন আগত খাত্ৰা আন্দহ খুন্দা নিয়ম আছে। গাঁৱৰ মহিলা সকলক মাতি দৰা-কইনাৰ ঘৰত এই নিয়ম পালন কৰা হয়। মহিলা সকলে মাটা গীত গাই, মাজৰ বাহিৰে ঘৰৰ কোনো এজনী মহিলাই ঢেকী দি এই আন্দহ খুন্দে আৰু তেতিয়াৰে পৰা ঘৰসমূহত বিয়াৰ পৰিৱেশ সৃষ্টি হয়। সেই আন্দহ দৰাৰ ঘৰত অলপ ৰাখি কইনাৰ ঘৰলৈ জোৰোণত দি পঠিয়াই। বিয়াৰ আগদিনা জোৰোণৰ লোকাচাৰ পালন কৰা হয়। যদি বিয়াৰ আগদিনা দিনৰ পৰা নোৱাৰে তেনেহ'লে বিয়াৰ দুইদিন আগত জোৰোণ লৈ যায়। দৰা ঘৰৰ পৰা পুৰুষ-মহিলা, কিছুমান কইনাৰ ঘৰলৈ অা-অলংকাৰ, কাপোৰ,

কল, সেন্দুৰ আদি লৈ যায়, দৰা ঘৰৰ মানুহ কইনা ঘৰৰ পদূলিত আহি পাওঁতে কইনাৰ মাকে আদৰি লৈ যায়। দৰা ঘৰৰ মানুহে কইনাক ঘৰৰ পৰা উলিয়াই আনি চোতালত পিৰা পাৰি বহুৱাই লৈ জোৰণ পিন্ধাবলৈ আৰম্ভ কৰে। দৰাৰ ভাগিনীয়েকে প্ৰথমে কইনাৰ কপালত সেন্দুৰৰ ফোঁট দিয়ে যদি দৰাৰ কোনো ভাগিনীয়েক নাথাকে তেনেহ'লে দৰাৰ ভনীয়েক বা মাকে সেন্দুৰৰ ফোঁট দিয়ে। তাৰ পিছত দৰাৰ ঘৰৰ পৰা অনা সকলো বস্ত্ৰ, আ-অলংকাৰ, কাপোৰ-কানি কইনাৰ গাত লগাই কইনাক ভিতৰলৈ লৈ যায়। দৰা ঘৰৰ মানুহে চাহ-জলপান, ভাত মাছ জুতি খায়, উভতি অহাৰ আগে আগে কইনা ঘৰৰ মানুহে শৰাই এখনত গুৱা গাছমাখা এখন, বিয়াৰ চিঠি, তামোল-পাণেৰে দৰা ঘৰৰ মানুহক আৰু দৰাকো নিমন্ত্ৰণ দিয়ে। পাটকাটা গাঁৱৰ মানুহৰ লোক

ইয়াক 'বৰযাত্ৰী' বুলি কয় আৰু এই 'বৰযাত্ৰী' শাম্ভোক্তাসন দৰাই বিয়াৰ দিনা গলত্তে হ লয়। এইখিনিয়ে পাটকৌৰা গাঁওৰ শংকৰী আমুষ্ঠানিনিৰ জোৰণৰ সময়ৰ লোকাচাৰ। (তথ্যদাত্ৰী, অলকণ বৈশ্য)

৬.৪ বিয়াৰ সময়ৰ লোকাচাৰ:

বিয়াৰ দিনা ৰাতিপুৱা দৰা/কইনাই গা ধুই উঠৰতে ঘৰৰ মানুহবিলে দীপ চাকি জ্বলাই আৰু ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাই সেৱা কৰি ঘৰলৈ উঠিত আহে। যিহেতু শংকৰী বিয়া পাতিলে কোনো শ্ৰাদ্ধ কৰা নহয়। কেইজন মান ভকত আহি চোতালতে নাম-প্ৰসংগ কৰে আৰু দৰা/কইনাৰ লগতে স-পৰিয়ালে সেৱা কৰে আৰু ভকত সকলে শৰিধানি দি আশীৰ্বাদ কৰে। ...নাম-প্ৰসংগ চলি থকা সময়ত গাঁৱৰ, আলহীৰ মহিলা সকলে পানী তোলা লোকাচাৰ পালন কৰে। মহিলা সকলে কাষৰ মাল বা নদীত পানী তোলে, পানী তোলা সময়ত

মহিলাসকলে বিভিন্ন ধৰণৰ বিয়ানাম গাই আনন্দ কৰে। পানী তুলি আহি মহিলাসকলে কলহবোৰ এখন গামোছাৰে ঢাকি থৈ দিয়ে। তাৰ পিছত ঈশ্বৰৰ নামত আগবঢ়াই দিয়া প্ৰসাদ মিলি ৰভাতলিত বহি থকা বাইজক ভগাই দিয়ে। দেওত সকলৰ প্ৰসংগ শেষ হোৱাৰ পিছত ভাত-পানী খাই বিদায় লোৱে। বিদায় লোৱাৰ পূৰ্বে দেওত সকলক এখন বস্ত্ৰ আৰু অলপ পইচা দি বিদায় দিয়ে। যিহেতু বিয়ালৈ দেওত সকল আহে সেয়েহে নিৰামিষ আহাৰ যুগুতোৱা হয় আৰু আজ্ঞা সম্ভৱতো পিয়াজ, নহৰু ব্যৱহাৰ কৰা নহয়। ৰভাতলিত থকা সকলো মানুহৰ খোৱা-বোৱা হোৱাৰ পিছত দিনৰ কাৰ্য শেষ হয়।

গধুলী হোৱাৰ লগে লগে দৰা/কইনাক মাহ-হালধীৰে গা ধুৱাই। দিনত মহিলা সকলে তুলা পানীৰে দৰা/কইনাক গা ধুৱাই দাপোণেৰে কলপাতি টিউ-বলে দিয়ে। আকৌ দিনটো লঘোনে থাকি দৰা/কইনাক

গা ধুৱাই আৰু ভনীয়েকে দাপি আনি ৰভাতলীত হৈ যায়। লাহে লাহে ৰাতি হ'বলৈ ধৰে আৰু দৰাই আজি-কালি ডাঙৰৰ আশীৰ্বাদ লৈ লগত চাৰিজন ভকত আৰু কেইজন/ কেইজনী মান মানুহ লগত লৈ যায়। কইনা ঘৰলৈ যোৱাৰ আগতে দৰাই বিয়াৰ চাৰিদিন আগত গুন্দা সান্দহাগিলি গামীবৰ সৈতে মাই কইনাৰ ঘৰলৈ যায়। কইনাৰ ঘৰৰ পদুলিত উপস্থিত হোৱাৰ লগে লগে কইনাৰ ভনীয়েকে দৰাৰ ভৰি ধুৱাই দৰাক বৰণ কৰি ভিতৰলৈ লৈ যায়। দুয়োপক্ষৰ মহিলা সকলৰ মাজত বিয়াগীতৰ প্ৰতিযোগিতা চলে। দৰাই চোতালত বহি অপেক্ষা কৰাত দৰাঘৰৰ মহিলা সকলে কইনাক বাহিৰলৈ বাহিৰলৈ উলিয়াই আনি চোতাল বগৰাই দিয়ে। ভকতে 'গুৰু আসনত' প্ৰতিষ্ঠিত ভাগৱত মানিলে তাই আহু লবলৈ কয় আৰু বিবাহ আৰম্ভ কৰে।

ভকতে কৈ যোৱা অনুসৰি দৰা কইনাই এজনে আনজনক মালা পিন্ধাই। ভকতৰ মুখে মুখে দৰা - কইনাই আঁঠৌ প্ৰতিজ্ঞা কৰে আৰু হো ভৰিৰে

সাত খোজ কাঢ়ে। দৰা - কইনাই প্ৰতিজ্ঞা কৰাৰ পিছত আয়তী সকলে উৰুলি দিয়ে আৰু বেকতৰ লগতে সমাজৰ লোকসকলে 'অ' হৰি অ' ৰাম' হৰিধ্বনিৰে দৰা - কইনাক আশীৰ্বাদ দি বিবাহৰ কাৰ্য সমাপন কৰে। শেষত বেকতৰ লগতে সকলোৱে এটা প্ৰাৰ্থনা গাই আৰু তেতে বিবাহ সম্পন্ন হোৱা বুলি কয়।

৬.৫ বিবাহৰ পিছৰ লোকাচাৰ:

বিয়া শেষ হোৱাৰ পিছত দৰা কইনাক ৰভাতলিৰ পৰা কইনাৰ মাকে ভিতৰলৈ আদৰি নি অথাল্ল খাবলৈ দিয়ে। কইনা ঘৰৰ মুৰুব্বী সকলে পৰিৱেশটো আনন্দময় কৰি তুলিবৰ বাবে সৰু সৰু খেল বিদ্যমান পাতে। কইনাৰ ঘৰত পালন কৰা নিয়ম সমূহ শেষ হোৱাৰ পিছত দৰাই কইনাক লৈ ঘৰলৈ উভতি আহে।

দৰা ঘৰৰ পদূলিত দৰা- কইনা উপস্থিত হোৱাৰ পিছত দৰাৰ মাকে কইনাক আদৰি ভিতৰলৈ লৈ যায় আৰু

কইনা পৰাকৰিয়ে গৃহ প্ৰৱেশৰ সময়ত চাউল চটিয়াই আৰু আয়তীসকলে উৰুলি দি ঘৰত প্ৰৱেশ কৰিবলৈ দিয়ে। দৰা ঘৰৰ মানুহে কইনা ঘৰীয়া অতিথিক আদৰ-সাদৰ কৰি খোৱাৰ ব্যৱস্থা কৰি দিয়ে। পিছদিনা গধুলী কইনাক আকৌ উভতাই লৈ যায়। বিয়াৰ আঠদিন পিছত দৰাৰ ভাই-ভনী, বন্ধু-বান্ধৱীকে আদি কৰি সাত জন বা সাত জনীমান মানুহ কইনাৰ ঘৰলৈ আহে। অষ্টমংগলাৰ দিনা কইনা ঘৰৰ মানুহে আঠমান ব্যঞ্জন, পঞ্চামৃত, পিঠা-লাৰু আদি যুগায়। সেইদিনা দৰা-কইনাই একেলগে কাহিতে ভাত খোৱা নিয়ম আছে। গধুলি সময়ত কইনাক লৈ ঘৰলৈ উভতি আহে। কইনা ঘৰ সোমোৱাৰ আগে আগে গাঁৱৰ আয়তীসকলে নাম ধৰে আৰু ঘৰৰ মানুহে কইনাক আদৰি আনি সেৱা কৰিবলৈ দিয়ে। আয়তী সকলে ধৰা এই নামক 'জুনি বেডা' নাম বুলি মাটকোলা গাঁৱত কোৱা হয়। চাৰিজনী অ-কুমাৰী ছোৱালীয়ে চোতালত থকা অস্তপাটে লাৰি দিয়ে আৰু আয়তী সকলে নাম শেষ কৰি প্ৰসাদ লৈ ঘৰে ঘৰে

উলেতি যায়।

অচিমংগালাৰ পিছত কইনাই দৰা ঘৰত তিনিদিন থাকি পুনৰ তিনিদিনৰ বাবে মাকৰ ঘৰলৈ যায় আৰু তিনিদিন পিছত দৰা ঘৰলৈ আহে। বিবাহৰ আনুষ্ঠানিকতা ইমানতে সামৰণি পৰে। (কায়স্থ, দুতলী ২৪৫)

৬.৬ বিবাহ সম্পৰ্কীয় লোকাচাৰৰ পৰিবৰ্তন আৰু বিশ্বায়নৰ প্ৰভাৱ :

বিশ্বায়নৰ প্ৰভাৱত মানৱ সমাজে এফালে ঐতিহ্যৰ প্ৰতি অনাদৰ কৰিবলৈ লৈছে আনফালে আধুনিকতাৰ প্ৰতি আকৰ্ষিত হৈছে। ভোগবাদী সমাজত মানুহে সুখ-শান্তিৰে জীৱন অতিবাহিত কৰিবলৈ বিচাৰে। অৰ্থনীতিক নিৰ্ভৰ কৰিয়েই বিশ্বৰ সমাজ খন বৰ্তি আছে। বিশ্ব অৰ্থনীতিৰ বজাৰ খন সম্প্ৰসাৰিত হোৱাৰ কাৰণে ভাবিব নোৱাৰাকৈয়ে এনে পৰিবৰ্তন হৈছে। ইয়াৰ মূলতে হৈছে বিশ্বায়ন। (নাম, স্বপন জ্যোতি ৫)

পাটকোটা গাঁৱত বিবাহ সম্পৰ্কীয় লোকসকলৰ আগতকৈ কিছু পৰিবৰ্তন হৈছে। আগতে জোৰোণৰ দিনা দৰা ঘৰৰ পৰা কেইজনমান বয়সীয়াল লোক গধুলি সময়ত কইনা ঘৰলৈ যে জোৰোণ দি আহিছিল কিন্তু বৰ্তমান সময়ত দৰা-পক্ষৰ পৰা পুৰুষ মহিলা সমানে কইনা ঘৰলৈ গৈ কইনাক জোৰোণ পিন্ধাই চাহ-জলপান, ভাত খাই আহে। জোৰোণৰ সময়ৰ লোকসকলৰ পাটকোটা গাঁৱত পৰিবৰ্তন দেখা দিছে।

বিয়াৰ ক্ষেত্ৰতো আগতকৈ বহুত পৰিবৰ্তন ঘটিছে। আগতে বিয়াৰ কোনো সময়, বাৰ চোৱা নাছিল কিন্তু, বৰ্তমান সময়ত তিথি আৰু শুভ সাইত বিয়া পাতিছে। বিয়াৰ পিছত আঠদিনৰ পিছত আঠমঙ্গলা পাতিছিল কিন্তু এতিয়া মানুহে কৰ্ম ব্যস্ততাৰ বাবে আঠদিনৰ ঠাইত চাৰিদিনতে আঠমঙ্গলাৰ নিয়ম সমাপ্ত কৰে। (তথ্যদাতা, অলকা বৈশ্য)

বিয়াৰ সম্পৰ্কীয় পৰিবৰ্তনৰ উপৰিও বিয়াৰ ক্ষেত্ৰত বিশ্বায়নৰ প্ৰভাৱ দেখা যায়। আগতে বিয়াক আতিবলৈ গ'লে তামোল-পাণেৰে আতিছিল কিন্তু এতিয়া দূৰৰ মানুহক বিয়াত আতিবলৈ হ'লে What's APP ৰ যোগেদিয়ে চিঠি পঠিয়ায়। আগতে বিয়াত ৰভা খুলিবলৈ কলপাতৰ ৰভা দিছিল কিন্তু পৰৱৰ্তী সময়ত ৰভা খুলিবলৈ হ'লে জাক-জমকতা পূৰ্ণ লাইট, নতুন কাপোৰ আদিৰে এখন ভাল পেণ্ডেল লাগে। আগতে বিয়াবোৰত ঢুলীয়া, ওজা-পালি আদি আতিছিল কিন্তু এতিয়া বেণ্ডপাৰ্টী, ডি.জে আদি ব্যৱহাৰ হয়। পাটবৌসী গাঁওতো বিবাহ সম্পৰ্কীয় লোকাচাৰৰ লগত বিশ্বায়নৰ প্ৰভাৱ আছে।

প্ৰসংগ পুথি:

কায়স্থ, পুতলী (সম্পা)। অসমৰ বিভিন্ন জনগোষ্ঠীৰ বিবাহ পদ্ধতি। ভৱানী বুকছ, গুৱাহাটী। ২০০৭।

নাথ, স্বপন জ্যোতি (সম্পা)। লোক সংস্কৃতি আৰু বিশ্বায়ন। গাগৰিজান কলেজ, নগাঁও। ২০১২।

7.0 উপসংহাৰ

পূৰ্বৱৰ্তী অধ্যায় কেইটাত পাটকোটা গাঁৱৰ পৰিচয়, ভাষা, ধৰ্ম, ভৌগোলিক পৰিসীমা, মাটিকালি, সংস্কৃতিৰ স্বৰূপ, সংজ্ঞা আদি লোকাচাৰ অৰ্থ, সংজ্ঞা ইয়াৰ লগতে সামাজিক, অৰ্থসামাজিক, বৈজ্ঞানিক সম্পৰ্ক, পাটকোটা গাঁৱৰ শংকৰ সংঘৰ বিবাহ পদ্ধতিৰ নৃতাত্ত্বিক বৈশিষ্ট্য উল্লেখ কৰা হৈছে। নলবাৰী জিলাৰ অন্তৰ্গত পাটকোটা গাঁৱৰ লোকসকলৰ বৃত্তি সম্পৰ্কীয়, সামাজিক উৎসৱ সম্পৰ্কীয় লোকাচাৰবোৰ ক্ষেত্ৰ অধ্যয়নৰ দ্বাৰা আলোচনা কৰা হৈছে।

নলবাৰী জিলাৰ অন্তৰ্গত পাটকোটা গাঁৱৰ লোকাচাৰ সমূহৰ কিছু পৰিৱৰ্তন ঘটিছে। সেয়েহে আধুনিক প্ৰজন্মই লোকাচাৰৰ কিছু ৰীতি-নীতি বিজ্ঞানসন্মত দৃষ্টিৰে গ্ৰহণ কৰিছে। শংকৰ সংঘৰ বিবাহ সম্পৰ্কীয় লোকাচাৰে ধৰ্মীয় দিশত পালন কৰা ৰীতি-নীতিৰ পৰম্পৰাই সামাজিক জীৱনত পালন কৰিব লগীয়া দিশবোৰ মনত পেলায় দিয়ে। পাটকোটা গাঁৱত

শংকৰী বিয়াৰ ৰীতি-নীতি আগতকৈ কিছু পৰিবৰ্তন হৈছে। বিবাহৰ আগৰ লোকাচাৰ, বিবাহৰ সময়ৰ লোকাচাৰ, বিবাহৰ পিছৰ লোকাচাৰ লগত পাটকাটা গাঁৱৰ শংকৰ সংঘৰ বিবাহ সম্পৰ্কীয় লোকাচাৰ জড়িত হৈ আছে। নলবাৰী জিলাৰ অন্তৰ্গত পাটকাটা গাঁৱত শংকৰী ধৰ্মৰ প্ৰভাৱৰ বাদে পূৰ্বৰে পৰা এতিয়ালৈকে সলনি হোৱা নাই। গতিকে পাটকাটা গাঁৱৰ শংকৰ সংঘৰ বিবাহ সম্পৰ্কীয় লোকাচাৰৰ লগতে গাঁওসমূহত প্ৰচলিত ধৰ্মৰ বিদ্যমান প্ৰয়োজনীয়তা দেখা যায়। সময়ৰ পৰিবৰ্তনৰ লগতে বিবাহ সম্পৰ্কীয় লোকাচাৰ পৰিবৰ্তনৰ লগতে গাঁওসমূহৰ চিন্তা সমূহত বিশ্বাসৰ প্ৰভাৱো পৰিলক্ষিত হোৱা দেখা যায়। লোকাচাৰৰ পৰিবৰ্তন হ'লেও গাঁওসমূহৰ ধৰ্মৰ পৰিবৰ্তনৰ প্ৰভাৱে নষ্ট কৰিব নোৱাৰি।

# গ্ৰন্থপঞ্জী


বৰয়ম্ভু, পুতলী (সম্পা)। অসমৰ বিভিন্ন জনগোষ্ঠীৰ বিবাহ পদ্ধতি। ভৱানী বুকচ্, গুৱাহাটী, ২০০৭।

গগৈ, লীলা। অসমৰ সংস্কৃতি। ডিব্ৰুগড় বনলতা, ২০১১।

নাথ, স্বপন জ্যোতি (সম্পা)। লোক সংস্কৃতি আৰু বিশ্বায়ন। নাগাবিজান কলেজ, নগাঁও ২০১২।

বৈশ্য, দীনেশ। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উপাদান। চন্দ্ৰ প্ৰকাশ গুৱাহাটী, পানবজাৰ ২০০৮।

ভূঞা, প্ৰফুল্ল চন্দ্ৰ। অসমৰ বৈষ্ণৱ ধৰ্মৰ তত্ত্ব আৰু দৰ্শন। বাণী প্ৰকাশ, গুৱাহাটী ১৯৮৬।

শৰ্মা, নবীন চন্দ্ৰ। লোক সংস্কৃতি। চন্দ্ৰ প্ৰকাশ, গুৱাহাটী পানবজাৰ ১৯৯৭।

শৰ্মা, নবীন চন্দ্ৰ। অসমীয়া লোক সংস্কৃতিৰ আভাস। বাণী প্ৰকাশ, গুৱাহাটী ১৯৯৫।

# সংবাদ দাতা

| ক্র.নং | নাম | লিংগ | বয়স | বৃত্তি | ঠিকানা |
|---|---|---|---|---|---|
| ১ | শ্রী প্রদীপ বৈশ্য | পুরুষ | ৫২ | শিক্ষক | পাটকাটা |
| ২ | শ্রী মনীন বৈশ্য | পুরুষ | ৩৩ | ব্যবসায়ী | পাটকাটা |
| ৩ | শ্রী অলকা বৈশ্য | মহিলা | ৪৬ | গৃহিনী | পাটকাটা |
| ৪ | মিস্ মবশী বেগম | মহিলা | ২১ | ছাত্রী | পৈচাকা |

# আলোক চিত্ৰ



নলবাৰী জিলাৰ অন্তৰ্গত পাটিবগা গাঁওৰ ৰাজহুৱা নামঘৰ



পাটকোটা গাঁৱত প্ৰচলিত শংকৰ সংঘৰ নিয়ম অনুসাৰি বিবাহৰ আগদিনা কইনাক জোৰোণ পিন্ধোৱাৰ এটি মুহুৰ্ত



পাটকোটা গাঁৱৰ শংকৰ সংঘৰ বিবাহৰ নিয়ম অনুসাৰি কইনাৰ পিতৃয়ে কন্যাদান কৰাৰ এটি দৃশ্য